# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 12-OCT-2026
**Time :** 1800 PM

# *Assamese Evening Bulletin*
## Headlines
------------------

১।	বহিঃৰাজ্যত মৃত্যুক আঁকোৱালি লোৱা হিমাশ্ৰী বড়োৰ পৰিয়াললৈ মুখ্যমন্ত্ৰীৰ আৰ্থিক সাহায্য ঘোষণা।
২।	ৰাজ্যৰ কেইবাখনো জিলাত আজি সেৱা সংকল্প অভিযানৰ অধীনত বিভিন্ন কাৰ্যসূচী ৰূপায়ণ।
৩।	কেন্দ্ৰীয় মন্ত্ৰী গজেন্দ্ৰ সিং শ্বেখাৱাটৰ আজি নতুন দিল্লীত ব্ৰিকছ্ থিয়েটাৰ মহোৎসৱ ২০২৬ৰ উদ্বোধন।

**আৰু**

৪।	জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সংক্ৰান্তত ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্ট ট্ৰেক আদালতত প্ৰবাসী অসমীয়াৰ সাক্ষ্য গ্ৰহণ অব্যাহত।

০০০০০

বহিঃৰাজ্যত মৃত্যুক আঁকোৱালি লোৱা হিমাশ্ৰী বড়ো নামৰ যুৱতীগৰাকীৰ গুৱাহাটীৰ সমীপৰ চপাইদঙৰ বাসগৃহত আজি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা উপস্থিত হৈ পৰিয়ালটোৰ সৈতে মত বিনিময় কৰে। শোকসন্তপ্ত পৰিয়ালটোক সমবেদনা জ্ঞাপন কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে যুৱতীগৰাকীৰ মৃত্যুৰ ঘটনাক লৈ পৰিয়ালৰ লগতে ৰাইজৰো সন্দেহ হৈছে সেয়েহে অসম আৰক্ষীৰ মহা পৰিদৰ্শকৰ নেতৃত্বত এটা দল তদন্তৰ বাবে অন্ধ্ৰপ্ৰদেশলৈ প্ৰেৰণ কৰা হৈছে। তেওঁ লগতে হিমাশ্ৰী বড়োৰ আৰ্থিকভাৱে অনগ্ৰসৰ পৰিয়ালটোক চৰকাৰে অৰ্থসাহায্য আগবঢ়াব বুলিও উল্লেখ কৰে। তেওঁ এই ঘটনাৰ আঁৰৰ সত্য পোহৰলৈ অহাৰ বাবে চলোৱা তদন্তত চৰকাৰে গুৰুত্ব আৰোপ কৰা বুলি প্ৰকাশ কৰে।

বাইট (চি এম)

ইপিনে, হিমাশ্ৰীৰ মৃত্যুৰ উচিত তদন্ত তথা ন্যায় বিচাৰি ইউ পি পি এলৰ সাংসদ প্ৰমোদ বড়োৱে ৰে'ল মন্ত্ৰালয়, গৃহমন্ত্ৰী আৰু দেশৰ প্ৰধানমন্ত্ৰীলৈ পত্ৰ প্ৰেৰণ কৰিছে। তদুপৰি ৰে'ল আৰক্ষী, ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱ, মুখ্যমন্ত্ৰী ডঃ শৰ্মাকো এই ঘটনাৰ উচিত বিচাৰৰ বাবে দাবী জনোৱা হৈছে। এই অনুসৰি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী এন চন্দ্ৰবাবু নাইডুলৈ এই সন্দৰ্ভত পত্ৰ প্ৰেৰণ কৰিছে বুলি শ্ৰী বড়োৱে প্ৰকাশ কৰে।

০০০০০

দেৱী দুৰ্গাৰ শাৰদীয় আৰাধনাৰ বাবে ধৰ্মীয় ৰীতি-নীতি আৰু পৰম্পৰাৰে কালিৰে পৰা নৱৰাত্ৰি পূজা আৰম্ভ হৈছে। আজি নৱৰাত্ৰিৰ দ্বিতীয় দিনা দেৱীক ব্ৰহ্মচাৰিণী ৰূপত পূজা কৰা হৈছে। সংযম, তপস্যা আৰু জ্ঞানৰ অধিষ্ঠাত্ৰী দেৱী ব্ৰহ্মচাৰিণীৰ পূজা ৰাজ্যৰ বিভিন্ন প্ৰাচীন দৌল-দেৱালয়সমূহত যথাবিহিত ৰীতি-নীতিৰে সম্পন্ন কৰা হৈছে। কালি নৱৰাত্ৰিৰ প্ৰথম দিনটোত দেৱীক শৈলপুত্ৰীৰ ৰূপত আৰাধনা কৰা হয়। কাইলৈ দেৱীক চন্দ্ৰঘণ্টা ৰূপত পূজা কৰা হ'ব। ইয়াৰ পাছত কুষ্মাণ্ডা, স্কন্দমাতা, কাত্যায়নী ৰূপত শক্তিৰূপিনী মা দুৰ্গাৰ পূজা কৰা হ'ব। আনহাতে শুকুৰবাৰে ষষ্ঠীৰ সন্ধিয়া দেৱীক অকালবোধনৰ বাবে বেদীত প্ৰতিষ্ঠা কৰা হ'ব। সপ্তমীত কালৰাত্ৰি, মহাষ্টমীত মহাগৌৰী আৰু মহা নৱমীত সিদ্ধিদাত্ৰীৰ ৰূপত দেৱী দুৰ্গাক পূজা কৰাৰ পাছত দশমীত দেৱীৰ প্ৰতিমা বিসৰ্জন দিয়া হ'ব। ধৰ্মীয় বিশ্বাস অনুসৰি এইবাৰ দেৱীয়ে ঘোঁৰাত আগমন কৰিছে আৰু নৌকাৰে গমন কৰিব।

০০০০০

সেৱা সংকল্প অভিযানৰ অংশৰূপে আজি ধেমাজি জিলাৰ তিনিওটা বিধানসভা সমষ্টিত আশাকৰ্মী আৰু তত্বাৱধায়কসকলৰ মাজত এককালীন উদগনিমূলক ধনৰাশি আৰু প্ৰশংসা পত্ৰ বিতৰণ কৰা হয়। জিলাখনৰ মুঠ ৭৭৭ গৰাকী আশাকৰ্মী আৰু ৬২ গৰাকী আশা ছুপাৰভাইজাৰক প্ৰত্যোককে একোখনকৈ প্ৰশংসা পত্ৰ আৰু এহেজাৰ টকাকৈ চেক বিতৰণ কৰা হয়।

জিলাখনৰ জোনাই সমষ্টিৰ বাবে চিমেন-চিচি-টঙানি উন্নয়ন খণ্ডৰ কাৰ্যালয়ৰ চৌহদত চিচিবৰ গাঁও সমষ্টিৰ বাবে চিলাপথাৰ দঞ্জিপল চৌহদত আৰু ধেমাজি সমষ্টিৰ বাবে ধেমাজি ৰাজহুৱা প্ৰেক্ষাগৃহত এই কাৰ্যসূচী অনুষ্ঠিত হয়।

যোৰহাটতো আজি এই কাৰ্যসূচীৰ অংশ হিচাপে পি এম পোষণ আঁচনিৰ অধীনত ছাত্ৰ-ছাত্ৰীসকলক পুষ্টিকৰ আহাৰ যোগান ধৰা হয়। টিয়কৰ বিধায়ক বিকাশ শইকীয়াই ৰান্ধনি তথা সহায়িকাসকলৰ হাতত আনুষ্ঠানিকভাৱে চেক আৰু প্ৰশংসা পত্ৰ বিতৰণ কৰে। অনুষ্ঠানত টিয়ক সমজিলা আয়ুক্ত মগেন নৰহ, জিলা পৰিষদৰ সদস্য ৰূপক শইকীয়া, পি এম পোষণৰ জিলা আঁচনিৰ পৰিচালক পাৰবিন চুলতানা আদৰি লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

মৰিগাঁও জিলাতো সেৱা সংকল্প অভিযানৰ অধীনত আজি জিলা পৰ্যায়ৰ কুইজ, চিত্ৰাংকণ আৰু বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হয়।

০০০০০

নৌসেনাই আজি INS MANGROL নামৰ ছাবমেৰিন প্ৰতিৰোধী তৃতীয়খন অগভীৰ যুদ্ধ জাহাজ মুম্বাইৰ নৌসেনাৰ জাহাজ নিৰ্মাণাগাৰত ৰাষ্ট্ৰৰ সেৱাৰ বাবে উচৰ্গা কৰে। কোচিৰ কোচিন জাহাজ নিৰ্মাণ কাৰখানাত থলুৱা প্ৰযুক্তিৰে নিৰ্মিত এ এছ ডব্লিউ- এছ ডব্লিউ চি যুদ্ধ জাহাজখনে উপকূলীয় আৰু অগভীৰ সামুদ্ৰিক অঞ্চলত ছাবমেৰিণৰ প্ৰৱেশ ধৰা পেলোৱাৰ লগতে ইয়াক প্ৰতিহত কৰাৰ ক্ষেত্ৰত নৌসেনা বাহিনীৰ ক্ষমতা বৃদ্ধি কৰিব। আজি এই শুভাৰম্ভ অনুষ্ঠানত পশ্চিম নৌসেনা কামাণ্ডৰ ফ্লেগ অফিচাৰ, কামাণ্ডিং ইন চীফ, উপ-নৌসেনাধ্যক্ষ সঞ্জয় বাৎসায়নে অধ্যক্ষতা কৰে। উদ্বোধনী ভাষণত তেওঁ এই জাহাজখন ৮০ শতাংশতকৈ অধিক থলুৱা সামগ্ৰী ব্যৱহাৰেৰে নিৰ্মাণ কৰা হৈছে বুলি জানিবলৈ দিয়ে। এই নিৰ্মাণ কাৰ্যই দেশৰ অভিযান্ত্ৰিক সামৰ্থ্য, প্ৰযুক্তিগত বিকাশ বৃদ্ধি কৰাৰ লগতে থলুৱা প্ৰযুক্তি ব্যৱহাৰৰ ক্ষেত্ৰত আমাৰ সংকল্পবদ্ধতাকো প্ৰতিপন্ন কৰে বুলি উপ-নৌসেনাধ্যক্ষ শ্ৰীবাৎসায়নে জানিবলৈ দিয়ে। নৌসেনা বাহিনীৰ সম্প্ৰসাৰণ সন্দৰ্ভত তেওঁ কয়, যে চলিত বছৰত এতিয়ালৈকে ১০ খন জাহাজ কাৰ্যক্ষম কৰা হৈছে। অতি শীঘ্ৰেই আৰু ৮ খন জাহাজ কাৰ্যক্ষম কৰা হ'ব বুলিও তেওঁ আশা প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে ২০৩৪ চনৰ ভিতৰত নৌসেনা বাহিনীত ব্যৱহৃত সকলো আহিলা ১০ বছৰৰ ভিতৰত সংযোজন কৰা হ'ব।

০০০০০

কেন্দ্ৰীয় মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱাটে আজি নতুন দিল্লীত ব্ৰিকচ থেয়েটাৰ মহোৎসৱ ২০২৬ উদ্বোধন কৰে। এই মহোৎসৱ অহা বুধবাৰে সামৰণি পৰিব। অনুষ্ঠানত অংশ লৈ মন্ত্ৰী শ্ৰীশেখাৱাটে কয় যে বিশ্বই ভূৰাজনৈতিক উদ্বিগ্নতা, সংঘাট, অনিশ্চয়তা আদিৰ মুখামুখি হোৱাৰ সময়তে সংস্কৃতিয়ে আলোচনা, বিশ্বাস স্থাপন আৰু বিশ্ব সম্প্ৰীতি প্ৰতিষ্ঠাৰ ক্ষেত্ৰত মুখ্য ভূমিকা গ্ৰহণ কৰিব পাৰে। সংস্কৃতিৰ বিশ্বজনীন আবেদন সন্দৰ্ভত গুৰুত্ব আৰোপ কৰি মন্ত্ৰী শ্ৰীশেখাৱাটে কয় যে মৰম, ভালপোৱা, সাহস, স্বাধীনতা আদিৰ সমাহাৰে ভাষিক আৰু সাংস্কৃতিক পাৰ্থক্য দূৰ কৰাত সহায় কৰে। আকাশবাণীৰ সংদদাতাৰ সৈতে হোৱা কথা বতৰাত ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ সঞ্চালক চিত্তৰঞ্জন ত্ৰিপাঠিয়ে কয় যে এই তিনিদিনীয়া মহোৎসৱত ১০ টা থিয়েটাৰ গোটে মুঠ এঘাৰখন নাটক প্ৰদৰ্শন কৰিব। তেওঁ কয় যে এই নাটকসমূহ দিল্লীৰ বিভিন্ন ঠাইত প্ৰদৰ্শন কৰা হ'ব। এই তিনিদিনীয়া মহোৎসৱত ভাৰত, থাইলেণ্ড, ইন্দোনেচিয়া, ৰাছিয়া, ভিয়েটনাম, ইৰাণ, দক্ষিণ আফ্ৰিকা, কাজাখস্তান আৰু ইথিঅ'পিয়াৰ নাট্য দলে অংশগ্ৰহণ কৰিব।

০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সংক্ৰান্তত ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্ট ট্ৰেক আদালতত প্ৰবাসী অসমীয়াৰ সাক্ষ্য গ্ৰহণ অব্যাহত আছে। প্ৰবাসী অসমীয়া ভাস্কৰজ্যোতি দত্তৰ এই গোচৰৰ সাক্ষ্য প্ৰদান আজি সম্পূৰ্ণ নহ'ল। নেটৱৰ্কৰ সমস্যাৰ বাবে আদালতৰ কাম-কাজ নিৰ্ধাৰিত সময়ত আৰম্ভ কৰিব নোৱাৰাৰ বাবে প্ৰবাসী অসমীয়া দত্তৰ সাক্ষ্য গ্ৰহণ সম্পূৰ্ণ নোহোৱাত কাইলৈ পুৱা চাৰে ১০ বজাত পুনৰ আদালতত হাজিৰ হ'বলৈ নিৰ্দেশ দিয়া হৈছে। উল্লেখযোগ্য যে শিল্পীগৰাকীৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত ইতিমধ্যে আদালতত অন্য ৮গৰাকী প্ৰবাসী অসমীয়াই সাক্ষ্য প্ৰদান কৰিছে।

ইফালে, প্ৰাণৰ শিল্পীগৰাকীৰ মৃত্যুৰ গোচৰত অভিযুক্তই জামিন লাভ কৰা আৰু ন্যায় প্ৰক্ৰিয়া লেহেমীয়া হোৱাৰ অভিযোগত আজি সোণাপুৰৰ জুবিন ক্ষেত্ৰত শিল্পীগৰাকীৰ পৰিয়াল আৰু অনুৰাগীসকলে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিছে। এই সন্দৰ্ভত চৰকাৰ তথা কাৰ্যপালিকাৰ ভূমিকা সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয় যে ন্যায়ালয়ৰ কাৰ্যপৰিধিত চৰকাৰ অথবা কাৰ্যপালিকাৰ কৰণীয় নাথাকে।

বাইট (চি এম)

০০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ জীৱ বিজ্ঞান বিভাগে ৰংঘৰ প্ৰেক্ষাগৃহত সোণালী জয়ন্তী বৰ্ষৰ শুভাৰম্ভণি অনুষ্ঠান দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত কৰে। শিক্ষা, গৱেষণা আৰু শৈক্ষিক সেৱাৰ ক্ষেত্ৰত বিভাগটোৰ গৌৰৱময় যাত্ৰা স্মৰণীয় কৰাৰ উদ্দেশ্যে বিভিন্ন কাৰ্যসূচীৰে সোণালী জয়ন্তী উদযাপনৰ পৰিকল্পনা কৰা হৈছে। আজিৰ অনুষ্ঠানৰ আৰম্ভণিতে বিশ্ববিদ্যালয়ৰ পতাকা আৰু জীৱ বিজ্ঞান বিভাগৰ সোণালী জয়ন্তীৰ পতাকা বিশ্ববিদ্যালয়খনৰ পঞ্জীয়ক ড০ পৰামানন্দ সোণোৱাল আৰু উদযাপন সমিতিৰ সভানেত্ৰী অধ্যাপিকা দ্বীপশিখা বৰাই উত্তোলন কৰে। আজিৰ অনুষ্ঠানত মত বিনিময় কাৰ্যসূচীৰ আয়োজন কৰা হয়।

০০০০০

সমাপ্ত